# অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব
## তিনি দশক (১৯৬১-১৯৯০)ৰ নিৰ্বাচিত ঔপন্যাসিকৰ উপন্যাসৰ আধাৰত

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ
কলা বিভাগৰ অসমীয়া বিষয়ত পিএইচ. ডি. ডিগ্ৰীৰ বাবে
দাখিল কৰা গৱেষণা গ্ৰন্থ

বীণা শইকীয়া
অসমীয়া বিভাগ
মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়, নগাঁও, অসম
**MSSV-0018-005-00630**

২০২১ বৰ্ষ

# ASAMIYÁ UPANYÁSAT BRIDDHA-MANASTATVA

Tini Dashak(1961-1990)ar Nirbachita Oupanyasikor Upanyasor Adharat

A THESIS SUBMITTED TO
MAHAPURUSHA SRIMANTA SANKARDEVA VISWAVIDYALAYA
FOR THE DEGREE OF DOCTOR OF PHILOSOPHY IN THE
FACULTY OF ARTS AND DEPARTMENT OF ASSAMESE


**BINA SAIKIA**

**Mahapurusha Srimanta Sankardeva Viswavidyalaya**



**MSSV-0018-005-00630**

**2021**

# উপসংহাৰ

উপন্যাস এক ধৰণৰ কলা। জীৱনৰ পূৰ্ণৰূপ প্ৰকাশিত এইবিধ কলাই পটভূমি আৰু চৰিত্ৰৰ বিচিত্ৰতাৰে সমাজ-জীৱনত প্ৰতিফলিত বহু সমস্যাক উপন্যাসৰ মাজেৰে তুলি ধৰে। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ লোকৰ কাহিনী অথবা চৰিত্ৰক সংবেদনশীল, মননশীল আৰু বাস্তৱ ৰূপত দাঙি ধৰিববলৈ বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ প্ৰতিষ্ঠিত একাংশ ঔপন্যাসিকে যত্ন কৰিছে। বৃদ্ধ লোকৰ শাৰীৰিক-মানসিক-সামাজিক-আৰ্থিক-সাংস্কৃতিক আদি বহু সমস্যাক বাস্তৱ ৰূপত উপস্থাপন কৰিববলৈ বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত অসমীয়া উপন্যাসক আধাৰ হিচাপে লৈ **অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** বিষয়টো পূৰ্বৰ অধ্যায়সমূহত সবিস্তাৰে আলোচনা কৰা হৈছে।

গৱেষণা-গ্ৰন্থৰ প্ৰথম অধ্যায়ত 'অসমীয়া সমাজত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা ঃ সাহিত্যত ইয়াৰ প্ৰতিফলন' সম্পৰ্কে আলোচনা কৰা হৈছে। পাঁচটা উপ-অধ্যায়ত ভাগ কৰা অধ্যায়টোৰ প্ৰথম উপ-অধ্যায়ত অসমীয়া লোকসাহিত্য, বৈষ্ণৱ যুগৰ সাহিত্য আৰু আধুনিক অসমীয়া কবিতা, নাটক, গল্প, প্ৰবন্ধ- অসমীয়া সাহিত্যৰ বিভিন্ন শাখাত বৃদ্ধ লোকৰ স্থান আৰু মৰ্যাদা প্ৰতিপন্ন কৰিব বিচৰা হৈছে। বিচাৰৰ শেষত দেখা গ'ল যে অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত সাধুকথাত বৃদ্ধ লোকৰ স্থান আৰু মৰ্যাদা সন্তোষজনক। কিন্তু জীৱন-অভিজ্ঞতাৰে সমৃদ্ধ অসমীয়া প্ৰবাদ-প্ৰবচনসমূহত বৃদ্ধ লোকৰ স্থান হীনজনক অৰ্থাৎ বৃদ্ধ লোকৰ অপদস্থ কৰা পৰিলক্ষিত হৈছে। অসমীয়া সাহিত্যৰ এনে প্ৰবাদ-প্ৰবচনে সমাজৰ বৃদ্ধ লোকৰ শ্ৰদ্ধা-সন্মান অৱনমিত আৰু লাঘৱ হোৱা দিশটো স্পষ্ট কৰে। অসমীয়া কোনো কোনো ফকৰাত বৃদ্ধ লোকৰ দুৰৱস্থা আৰু কোনো কোনো ফকৰাত অভিজ্ঞতাৰে সমৃদ্ধ বৃদ্ধ লোকক বুজোৱা হৈছে। গতিকে অসমীয়া ফকৰা-যোজনাত বৃদ্ধ লোকৰ ভাল-বেয়া দুয়োটা দিশৰে মিশ্ৰ প্ৰভাৱ পৰিছে। সাঁথৰসমূহত 'বুঢ়া' শব্দটিয়ে 'বাঢ়ি অহা', 'বৃদ্ধি পোৱা', 'ঘাই' আদি অৰ্থ ব্যৱহাৰৰ প্ৰমাণ দিয়ে। সেইবাবে অসমীয়া সাঁথৰসমূহত বৃদ্ধ লোকৰ স্থান আৰু মৰ্যাদা সম্ভ্ৰমসূচক বুলিব পাৰি।

দ্বিতীয় উপ-অধ্যায়ত অসমীয়া বৈষ্ণৱ সাহিত্যত 'বৃদ্ধত্ব' বা 'বাৰ্ধক্য'ৰ ভাবনা শংকৰদেৱৰ *কীৰ্ত্তন-ঘোষা*; মাধৱদেৱৰ *নামঘোষা*, বৰগীত, *অৰ্জুন ভঞ্জন* নাট; ভট্টদেৱৰ *কথা-ভাগৱত* আৰু সংস্কৃত *শ্ৰীমদ্ভগৱদ্গীতা* গ্ৰন্থত বিস্তৃত ৰূপত প্ৰতিফলন ঘটিছে। মধ্যযুগীয় অসমীয়া সমাজত বাৰ্ধক্যৰ উল্লেখ আধ্যাত্মিক দৃষ্টিৰে গ্ৰহণ কৰা আৰু বাৰ্ধক্যৰ প্ৰতি বৈষ্ণৱ সাধকসকলৰ দৃষ্টি বৈৰাগ্যমূলক হোৱাৰ প্ৰমাণ পোৱা যায়।

তৃতীয় উপ-অধ্যায়ত অসমীয়া সাহিত্যৰ অন্তৰ্গত একাংশ শিশু আৰু আধুনিক কবিতাত বাৰ্ধক্য-জীৱনৰ চিত্ৰৰ প্ৰতিফলন ঘটিছে। শিশু আৰু বৃদ্ধৰ সুমধুৰ সম্পৰ্ক, বৃদ্ধসকলৰ শিশুৰ প্ৰতি থকা মমত্ব, অভিভাৱকত্ব, আদৰ্শ, নৈতিকতা আৰু হাঁহি-ধেমালিৰ চিত্ৰ কিছুসংখ্যক অসমীয়া শিশু-কবিতাত প্ৰকাশ পাইছে। আধুনিক অসমীয়া কবিতাত বৃদ্ধসকলৰ জটিল জীৱনৰ চিত্ৰ অংকন কৰা হৈছে। বৃদ্ধসকলৰ জীৱন-চিত্ৰ প্ৰকাশিত এনে একাংশ আধুনিক কবিতাত আৰ্থিক দীনতা, নিঃসংগতাৰ বেদনা, একাকিত্ব, অৱসাদ আৰু নিৰাপত্তাহীনতাৰ চিত্ৰ তুলি ধৰিছে। গতিকে বাৰ্ধক্য-জীৱনৰ চিত্ৰ প্ৰকাশিত অসমীয়া শিশু-কবিতাত বৃদ্ধসকলৰ স্থান সন্মানজনক আৰু গুৰুত্বপূৰ্ণ। আধুনিক অসমীয়া কবিতাত বৃদ্ধসকলৰ মনৰ ন ন জটিলতা, বাৰ্ধক্যৰ শোচনীয় আৰু অৱনমিত জীৱন-চিত্ৰ প্ৰকাশ পাইছে।

তৃতীয় উপ-অধ্যায়ত অসমীয়া নাটকত বৃদ্ধসকলৰ জীৱন-চিত্ৰ পৰ্যবেক্ষণ কৰাত প্ৰজন্মৰ সংঘাত, আদৰ্শ আৰু মূল্যবোধৰ অৱক্ষয়, শাৰীৰিক-মানসিক দুৰৱস্থাৰ চিত্ৰ পোৱা গৈছে। তদুপৰি আৰ্থিক দীনতা, সমাজ আৰু পৰিয়ালত অপদস্থ হ'ব লগা বৃদ্ধসকলৰ মানসিক চাপ, জীৱনৰ অপ্ৰকাশিত ৰহস্য, নিঃসংগতাৰ মনোবেদনা, হতাশা আৰু আত্মহত্যাৰ দৰে জটিল মনস্তত্ত্বৰ স্বৰূপ অসমীয়া নাটকত দৃষ্টিগোচৰ হৈছে। গতিকে অসমীয়া নাটকত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা সন্তোষজনক নহয়।

চতুৰ্থ উপ-অধ্যায়ত অসমীয়া গল্পত বাৰ্ধক্য-জীৱনৰ লগত সংলগ্ন বহু মানসিক জটিলতাৰ চিত্ৰ দৃষ্টিগোচৰ হৈছে। নিঃসংগতাৰ বেদনা, একাকিত্ব, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, জীৱনপ্ৰীতি, আঁকোৰগোজ স্বভাৱ, প্ৰজন্মৰ ব্যৱধান, নৈতিক আৰু শৈক্ষিক মূল্যবোধৰ অভাৱ, মননশীল আৰু সংবেদনশীল মনৰ গুৰুত্ব, আনৰ বোজা হোৱাৰ আশংকা, শাৰীৰিক আৰু মানসিক দুশ্চিন্তা, মৃত্যুভয় ইত্যাদি বৃদ্ধ-মনস্তত্ত্বৰ বহু জটিল সমস্যা অসমীয়া গল্পত উপস্থাপন কৰিছে। অসমীয়া গল্পত বৃদ্ধসকলৰ

প্ৰতি থকা শ্ৰদ্ধা-সন্মান আৰু মান্যতাৰ অৱনমিত চিত্ৰ গল্পকাৰে কৌশলী ৰূপত অংকন কৰা পৰিলক্ষিত হৈছে। সাহিত্যৰ অন্যান্য শাখাসমূহৰ ভিতৰত অসমীয়া গল্পতেই আটাইতকৈ বেছি বাৰ্ধক্য-জীৱনৰ চিত্ৰৰ প্ৰতিফলন হোৱা দেখা যায়।

পঞ্চম উপ-অধ্যায়ত অসমীয়া প্ৰবন্ধত বাৰ্ধক্যক পৰিতৃপ্ত জীৱন বা শান্তি স্তৰৰূপে প্ৰবন্ধকাৰে প্ৰকাশ কৰিছে। বৃদ্ধসকল পৰিয়াল আৰু সমাজৰ ধৰণী। তেওঁলোকৰ দিহা-পৰামৰ্শ কনিষ্ঠ প্ৰজন্মৰ বাবে আদৰ্শস্বৰূপ। অসমীয়া প্ৰবন্ধত বৃদ্ধসকলৰ স্থান আৰু মৰ্যাদা সন্তোষজনক ৰূপত প্ৰতিফলন হৈছে।

'বৃদ্ধ-মনস্তত্ত্ব আৰু অসমীয়া উপন্যাস' সম্পৰ্কে গৱেষণা-গ্ৰন্থৰ দ্বিতীয় অধ্যায়ত আলোচনা কৰা হৈছে। তিনিটা উপ-অধ্যায়ত সামৰি লোৱা অধ্যায়টোৰ প্ৰথম উপ-অধ্যায়ত মনস্তত্ত্ব-বৃদ্ধত্ব আৰু বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপৰ সাধাৰণ বিশ্লেষণ দাঙি কৰা হৈছে। বিশ্লেষণৰ অন্তত দেখা গ'ল যে বৃদ্ধ-মনস্তত্ত্ব বিষয়টো অতিকে মননশীল, সংবেদনশীল আৰু জটিল বিষয়। উপ-অধ্যায়টোত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ কেইটামান কাৰকৰ উল্লেখ কৰা হৈছে। সেই কাৰকসমূহ হ'ল— শাৰীৰিক আৰু মানসিক শক্তিৰ অৱনতি, পাৰিবাৰিক অৱহেলা আৰু অৱহেলাপ্ৰাপ্তিৰ ভ্ৰান্ত ধাৰণা, পৰিয়াল তথা সমাজত প্ৰতিপত্তি হেৰুওৱাৰ আশংকা, আৰ্থিক সংকট আৰু নিৰাপত্তাহীনতা, নিঃসংগতাৰ বেদনা, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, জীৱনপ্ৰীতি, যৌন অক্ষমতা বা যৌৱনক হেৰুওৱাৰ অৱসাদ, বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, পৰিচালনাৰ নিয়ন্ত্ৰণ হেৰুওৱাৰ বেদনা, জীৱনৰ পৰিৱৰ্তনক মানিব নোখোজা আঁকোৰগোজ স্বভাৱ, বাৰ্ধক্যত পৰিতৃপ্ত জীৱন আদি।

দ্বিতীয় উপ-অধ্যায়ত অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ এটি চমু পৰিচয় দাঙি ধৰা হৈছে। অসমীয়া মনস্তত্ত্বমূলক উপন্যাসৰ বিচাৰৰ শেষত উপন্যাসসমূহত প্ৰতিফলিত কেতবোৰ মনস্তাত্ত্বিক দিশ প্ৰত্যক্ষ কৰা হৈছে। উৎকট দৈহিক আত্মপ্ৰশংসা, কামলিপ্সা, মনোবিকলন (Schizophrenia), সন্তান বাঞ্ছাৰ আকাংক্ষা, প্ৰদমন, প্ৰেমজনিত স্খলন, জৈৱিক অক্ষমতাৰ অৱসাদ, পৰিয়ালকেন্দ্ৰিক সংঘাত, অপৰাধ, পিতৃকামী গূঢ়ৈষা, আদৰ্শৰ স্খলন, মনোৰোগ, সন্তানৰ প্ৰতি স্নেহ, মূল্যবোধৰ অৱক্ষয়, ইতিহাস-চেতনা, প্ৰজন্মৰ ব্যৱধান, শৈক্ষিক মূল্যবোধৰ অভাৱ, স্মৃতিলোপ, ভ্ৰম, দ্বৈত ব্যক্তিত্ব, মাতৃকামী গূঢ়ৈষা, আত্মৰতি, মনোগ্ৰস্ততা, কামবিকৃতি, অহংমন্যতা, আত্মহত্যাৰ প্ৰৱণতা আদি বহুবোৰ মনস্তাত্ত্বিক দিশ অসমীয়া মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিফলিত হৈছে।

তৃতীয় উপ-অধ্যায়ত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি পৰিচয়মূলক বিশ্লেষণ দাঙি ধৰা হৈছে। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ ভিতৰত চৈয়দ আব্দুল মালিকৰ *এটা সূৰ্য, দুখন নদী আৰু এখন মৰুভূমি*; বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ *নষ্টচন্দ্ৰ*; নৰকান্ত বৰুৱাৰ *ককাদেউতাৰ হাড়*; ৰোহিণী কুমাৰ কাকতিৰ *শেঁতা ৰ'দ*; নিৰোদ চৌধুৰীৰ *স্তব্ধ বৃন্দাবন* আৰু *কুঁৱলীৰ আখৰ*; লুম্মেৰ দাইৰ *মন আৰু মন*; হোমেন বৰগোহাঞিৰ *অস্তৰাগ* আৰু *পিতা-পুত্ৰ*; নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ, অন্তঃস্ৰোতা, ছায়া আৰু ছবি, অন্যজীৱন* আৰু *অভিযাত্ৰী*; দেৱেন্দ্ৰনাথ আচাৰ্যৰ *কালপুৰুষ* আৰু *অন্য যুগ অন্য পুৰুষ*; শীলভদ্ৰৰ *অনুসন্ধান, তৰঙ্গিনী, অবিচ্ছিন্ন* আৰু *গধূলি*; মেদিনী চৌধুৰীৰ *বণ্ডুকা বেহাৰ*; মামণি ৰয়ছম গোস্বামীৰ *বচিৰুদ্দিনৰ চকু*; অৰুণ শৰ্মাৰ *উভলা শিপা, যযাতি আৰু ৰঞ্জনা* আৰু *আশীৰ্বাদৰ ৰং*; অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া* উল্লেখযোগ্য। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বিশ্লেষণৰ অন্তত দেখা গ'ল যে বৃদ্ধ লোকৰ বাৰ্ধক্যজনিত শাৰীৰিক ৰোগ, ৰোগৰ বিভিন্ন উপসৰ্গ আৰু মনস্তাত্ত্বিক জটিলতা উপন্যাসসমূহত প্ৰতিফলিত হৈছে। শাৰীৰিক সমস্যাই কোনো কোনো সময়ত মানসিক কাৰণ হিচাপে বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত ধৰা দিছে। তদুপৰি সামাজিক, আৰ্থিক আৰু সাংস্কৃতিক সমস্যাই মানসিক কাৰণ হৈ পৰা বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে।

অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখন বিচাৰৰ অন্তত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতা সৃষ্টিৰ কেইটামান কাৰণ দৃষ্টিগোচৰ হৈছে। উপন্যাসকেইখনত প্ৰতিফলিত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ উল্লেখযোগ্য কাৰকসমূহ এনে ধৰণৰ— শাৰীৰিক বিবিধ ৰোগ আৰু ৰোগৰ উপসৰ্গৰ যন্ত্ৰণা, মানসিক চাপ আৰু ৰোগৰ লক্ষণ, ক্ষমতা আৰু প্ৰতিপত্তিৰ অৱনমন, প্ৰেমজনিত স্খলন, আদৰ্শ আৰু মূল্যবোধৰ সংঘাত, জৈৱিক আকাংক্ষাৰ অৱসাদ, আত্মগ্লানি, আত্মসন্মান হেৰুওৱাৰ আতংক, পৰিচয়হীনতা, বাৰ্ধক্যজনিত শাৰীৰিক আৰু মানসিক শক্তিৰ অৱক্ষয়, যৌনস্পৃহা বা পুনৰ্যৌৱন লাভৰ আকাংক্ষা, অনুশোচনা, পাৰিবাৰিক আত্মকন্দলৰ দুশ্চিন্তা, আঁকোৰগোজ স্বভাৱ, মমত্ব, নিঃসংগতাৰ বেদনা, একাকিত্ব, অতীতৰ স্মৃতি ৰোমন্থন, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, জীৱনপ্ৰীতি, সময় আৰু পৰিস্থিতিত নিজক খাপ খুৱাই ল'ব নোৱৰা মানসিকতা, প্ৰাকৃতিক সম্পদৰ অৱমাননা, ইতিহাস-চেতনা, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, প্ৰজন্মৰ ব্যৱধান, আৰ্থিক দীনতা, বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, সন্তানৰ প্ৰতি স্নেহ, পত্নীপ্ৰীতি আৰু পত্নীবিহীন জীৱনৰ নিঃসংগতা, সন্তানৰ লগত মতদ্বৈধতা আৰু বিচ্ছেদ, ভৌগোলিক দূৰত্বই অনা মানসিক

ব্যৱধান, অতীতৰ জীৱনৰ ৰহস্য, নিৰাপত্তাহীনতা,পৰনিৰ্ভৰশীলতা, পৰিয়াল আৰু সমাজত অপদস্থ হোৱাৰ মানসিক আতংক আৰু বেদনা, আত্মাভিমান, আৱেগিক মনৰ প্ৰাধান্য, পশুপ্ৰীতি, বৃদ্ধ নাৰীৰ শাৰীৰিক আৰু মানসিক কষ্ট, বাৰ্ধক্যৰ প্ৰত্যাহ্বান, যাযাবৰী জীৱনৰ যন্ত্ৰণা, অস্তিত্ব বিপন্ন হোৱাৰ ভয়, অন্তৰ্দৃষ্টিৰে জীৱনক পৰ্যবেক্ষণ কৰা, অতিৰিক্ত কৰ্মস্পৃহা, এলেহুৱা, সমাজৰ কল্যাণত আত্মনিয়োগ কৰা, আত্মত্যাগ, বাৰ্ধক্যত পৰিতৃপ্ত জীৱনৰ ধাৰণা ইত্যাদি। বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণসমূহে অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মনৰ জটিলতা আৰু বাৰ্ধক্যৰ চেতনা প্ৰতিফলনত সহায় কৰিছে।

অধ্যায়টোৰ চতুৰ্থ উপ-অধ্যায়ত 'নিৰ্বাচিত ঔপন্যাসিকৰ সাহিত্যকৃতিৰ অৱলোকন' কৰা হৈছে। নিৰুপমা বৰগোহাঞিঃ, অৰুণ শৰ্মা, হোমেন বৰগোহাঞি আৰু শীলভদ্ৰ— প্ৰত্যেকেই বিংশ শতিকাৰ সত্তৰৰ দশকৰ একোগৰাকী কৃতী সাহিত্যিক। ঔপন্যাসিক নিৰুপমা বৰগোহাঞিৰ উপন্যাসত নাৰী-মনস্তত্ত্বৰ প্ৰভাৱৰ প্ৰতিফলন হৈছে। তেওঁৰ উপন্যাসৰ সংখ্যা আনকেইগৰাকী নিৰ্বাচিত ঔপন্যাসিকতকৈ অধিক। নাট্যকাৰৰূপে প্ৰসিদ্ধ অৰুণ শৰ্মাৰ উপন্যাসৰ সংখ্যা তেনেই নগণ্য। হোমেন বৰগোহাঞিৰ উপন্যাসত পাশ্চাত্য আৰু মানৱ জীৱন-দৰ্শনৰ প্ৰভাৱ অপৰিসীম। শীলভদ্ৰৰ উপন্যাসত বাৰ্ধক্য-জীৱনৰ চিত্ৰ আৰু শ্ৰমিক শ্ৰেণীৰ লোকৰ আৰ্থিক দুৰৱস্থা হৃদয়স্পৰ্শী ৰূপত বৰ্ণনা কৰা হৈছে। গতিকে বিংশ শতিকাৰ সত্তৰৰ দশকৰ নিৰ্বাচিত প্ৰত্যেকগৰাকী সাহিত্যিকে উপন্যাসৰ ক্ষেত্ৰত নিজৰ নিজৰ দক্ষতাৰ পৰিচয় দিছে।

গৱেষণা-গ্ৰন্থৰ তৃতীয় অধ্যায়ত 'নিৰ্বাচিত উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ এক বিস্তৃত আলোচনা'— এই বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে। গৱেষণা-গ্ৰন্থৰ মূল এই অধ্যায়ত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ চাৰিজন প্ৰতিষ্ঠিত অসমীয়া ঔপন্যাসিকৰ চাৰিখন উপন্যাসক আধাৰ হিচাপে লৈ অধ্যায়টো সবিস্তাৰে চালিজাৰি চাবলৈ যত্ন কৰা হৈছে। আলোচনাৰ বাবে অধ্যায়টো চাৰিটা উপ-অধ্যায়ত ভাগ কৰা হৈছে। উপ-অধ্যায় কেইটাত ক্ৰমে নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬), অৰুণ শৰ্মাৰ *উভলা শিপা* (১৯৭৯), হোমেন বৰগোহাঞিৰ *অস্তৰাগ* (১৯৮৬) আৰু শীলভদ্ৰৰ *অনুসন্ধান* (১৯৮৭) উপন্যাসৰ মূল বৃদ্ধ চৰিত্ৰৰ বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ বিশ্লেষণ কৰা হৈছে। তদুপৰি নিৰ্বাচিত ঔপন্যাসিককেইগৰাকীৰ অন্যান্য উপন্যাসত থকা বৃদ্ধ চৰিত্ৰৰ মনস্তত্ত্বৰ স্বৰূপো পৰ্যবেক্ষণ কৰা হৈছে।

বিশ্লেষণৰ শেষত দেখা গ'ল যে নিৰ্বাচিত উপন্যাসকেইখন বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ প্ৰতিষ্ঠিত অসমীয়া একাংশ ঔপন্যাসিকৰ মূল্যৱান বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণসমূহৰ প্ৰতিফলন হোৱা দেখা গৈছে। অধ্যায়টোৰ নিৰ্বাচিত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত দেখা পোৱা বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ কাৰকসমূহ এনে ধৰণৰ— নিঃসংগতাৰ বেদনা, আদৰ্শৰ সংঘাত, অতীতৰ স্মৃতি ৰোমন্থন, মূল্যবোধৰ পৰিৱৰ্তন, জীৱনৰ অভিজ্ঞতা ব্যাখ্যাৰ প্ৰয়াস, ব্যক্তিকেন্দ্ৰিক অহমিকা, জীৱনপ্ৰীতি, শাৰীৰিক অসুস্থতাৰ সমস্যা, শৈক্ষিক মূল্যবোধৰ অভাৱ, নগৰীয়া জীৱনৰ যন্ত্ৰণা ইত্যাদি। প্ৰতিটো উপ-অধ্যায়ত নিৰ্বাচিত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ চৰিত্ৰৰ কেতবোৰ অন্যান্য মানসিক জটিলতা প্ৰত্যক্ষ কৰা হৈছে। সেই জটিলতাসমূহৰ ভিতৰত নিৰুৎসাহ, ভাবুক প্ৰকৃতি, সন্তানৰ প্ৰতি স্নেহ, শহুৰ-বোৱাৰীৰ সদ্ভাৱ নথকা, আত্ম-অনুশোচনা, সময় আৰু পৰিৱেশে সলনি কৰা মনৰ গুৰুত্ব, জন্ম হোৱা অঞ্চলৰ প্ৰতি আকৰ্ষণ, কনিষ্ঠ প্ৰজন্মৰ অভব্য আচৰণ, আত্মাভিমান, প্ৰজন্মৰ ব্যৱধান, মানৱীয় প্ৰমূল্যৰ অৱক্ষয়, আঁকোৰগোজ স্বভাৱ, বাৰ্ধক্যৰ পূৰ্বপ্ৰস্তুতিৰ অভাৱ, বাৰ্ধক্যক লৈ সৃষ্টি হোৱা অপৰাধবোধ, পৰনিৰ্ভশীল হোৱাৰ আশংকা, শাৰীৰিক শক্তিহীনতা আৰু অসচেতনতাই উল্লেখযোগ্য।

অধ্যায়টোত নিৰ্বাচিত ঔপন্যাসিকৰ অন্যান্য কেইবাখনো উপন্যাসত বৃদ্ধ চৰিত্ৰৰ বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰত্যক্ষ কৰা হৈছে। নিৰ্বাচিত ঔপন্যাসিকৰ বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ প্ৰতিফলিত অন্যান্য অসমীয়া উপন্যাসকেইখন ক্ৰমে নিৰুপমা বৰগোহাঞিৰ *অন্তঃস্ৰোতা, ছায়া আৰু ছবি, অন্য জীৱন* আৰু *অভিযাত্ৰী;* অৰুণ শৰ্মাৰ *যযাতি আৰু ৰঞ্জনা* আৰু *আশীৰ্বাদৰ ৰং;* হোমেন বৰগোহাঞিৰ *পিতা-পুত্ৰ*; শীলভদ্ৰৰ *তৰঙ্গিনী, অবিচ্ছিন্ন* আৰু *গধূলি*। নিৰ্বাচিত ঔপন্যাসিককেইগৰাকীৰ অন্যান্য বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰতিফলিত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাসমূহৰ ভিতৰত বিবাহযোগ্য কন্যাৰ বিবাহক লৈ সৃষ্টি হোৱা বৃদ্ধ মাতৃৰ দুশ্চিন্তা, ঈৰ্ষা, অপমানবোধ, আত্মাভিমান, মানসিক অন্তৰ্দ্বন্দ্ব, দূৰদৰ্শিতা, অতীতৰ স্মৃতি ৰোমন্থন, জীৱনৰ অভিজ্ঞতাৰ বাস্তৱ সত্য, সন্তানৰ প্ৰতি স্নেহ, অৱসৰহীন বৃদ্ধ নাৰীৰ শাৰীৰিক কঠোৰ পৰিশ্ৰম, পৰিয়ালৰ অমনোযোগ, হতাশা, আত্মত্যাগ, শাৰীৰিক শক্তিৰ অৱনতি, স্বাধীন হ'ব নোৱৰা বৃদ্ধ নাৰীৰ মনোবেদনা, শিক্ষাৰ প্ৰতি প্ৰদমিত হাবিয়াস, শাৰীৰিক-মানসিক অৱক্ষয় আৰু যন্ত্ৰণা, মানসিক সবলতা, সামাজিক অনুশাসন নমনা, প্ৰেমজনিত স্খলন, জীৱনপ্ৰীতি, আৱেগিক মনৰ প্ৰাধান্য, আত্মহত্যা, আঁকোৰগোজ স্বভাৱ,

ধৰ্মীয় গোড়ামি, মানৱীয়তা, মমত্ব, নিঃসংগতাৰ বেদনা, আদৰ্শৰ স্খলন, বৃদ্ধ পিতৃক নুবুজাৰ অভিমান, ভৌগোলিক দূৰত্বই অনা মানসিক ব্যৱধান, পত্নী বিয়োগৰ মৰ্মবেদনা, বেমাৰী পত্নীক লৈ সৃষ্টি হোৱা মনৰ অসন্তুষ্টি, বৃদ্ধ চাহ শ্ৰমিকৰ আৰ্থিক দীনতা, শাৰীৰিক কঠোৰ পৰিশ্ৰমে অনা বাৰ্ধক্যৰ সম্ভাৱনা, পুৰণি সংগ আৰু পুৰণি কথাৰ গুৰুত্ব বৃদ্ধি, শৈক্ষিক মূল্যবোধৰ অভাৱ, ভৱিষ্যৎ প্ৰজন্মক লৈ চিন্তা, উদাসীনতা, উপেক্ষা, মৃত্যুৰ ভয়াৱহ যন্ত্ৰণা আদিয়েই উল্লেখযোগ্য।

'নিৰ্বাচিত উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ স্বৰূপ ঃ এক বিস্তৃত আলোচনা' অধ্যায়টোৰ পৰা এই কথা প্ৰতীয়মান হৈছে যে বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসসমূহৰ ভিতৰত নিৰুপমা বৰগোহাঞিৰ *এজন বুঢ়া মানুহ* (১৯৬৬) উপন্যাসখনেই প্ৰথম অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস। অসমীয়া ঔপন্যাসিকসকলৰ ভিতৰত শীলভদ্ৰৰ প্ৰায়বোৰ উপন্যাসতে বৃদ্ধ-মনস্তত্ত্বৰ লক্ষণ দেখা যায়। নিৰুপমা বৰগোহাঞিৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ নাৰীৰ মনস্তত্ত্বৰ জটিলতা প্ৰত্যক্ষ কৰা হৈছে। তদুপৰি কেইখনমান অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত অতীত জীৱনৰ ৰহস্যৰ প্ৰতিফলন হোৱা দেখা যায়।

'অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ পৰিৱৰ্তিত ৰূপ ঃ আলোচ্য উপন্যাসৰ লগত পৰৱৰ্তী উপন্যাসৰ তুলনামূলক সমীক্ষা' বিষয়টোৰ এটি আলোচনা গৱেষণা-গ্ৰন্থৰ চতুৰ্থ অধ্যায়ত আগবঢ়োৱা হৈছে। চতুৰ্থ অধ্যায়টো চাৰিটা উপ-অধ্যায়ত সংলগ্ন কৰা হৈছে। প্ৰথম উপ-অধ্যায়ত 'বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ সমল' বিচাৰ কৰা হৈছে। বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী আৰু একবিংশ শতিকাৰ ডেৰ দশক (১৯৯১-২০১৫)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ লগত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এটি তুলনামূলক সমীক্ষা আগবঢ়োৱা হৈছে। তুলনালৈ অনা বিংশ শতিকাৰ শেষ দশক আৰু একবিংশ শতিকাৰ ডেৰ দশক (১৯৯১-২০১৫)ৰ প্ৰধান বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখন ক্ৰমে লক্ষ্মীনন্দন বৰাৰ *কায়কল্প* (২০০২); হোমেন বৰগোহাঞিৰ *এদিনৰ ডায়েৰী* (২০০৩); ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী* (২০০৮); পূৰবী বৰমুদৈৰ *বাঘশাল বাঘজাল আৰু মানুহ* (২০০০), *ৰূপোৱালী নৈৰ সোণোৱালী ঘাট* (২০০১); পোলেন বৰকটকীৰ *অৰণ্যৰ ৰ'দ, জোনাক আৰু এন্ধাৰ* (২০০৯); অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি*

(২০১৪); ফণীন্দ্র নাৰায়ণ দত্ত বৰুৱাৰ *বিষণ্ণ অপৰাহ্ণ* (২০০৬); মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* (২০১৩); সন্তোষ কুমাৰ কৰ্মকাৰৰ *অ' মোৰ আপোনাৰ দেশ* (২০১৪) আৰু জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* (২০১৫) উল্লেখযোগ্য। তুলনাৰ শেষত দেখা দিয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ সাদৃশ্যসমূহ এনে ধৰণৰ— কালানুক্ৰমিক বয়সৰ গুৰুত্ব, নিঃসংগতাৰ বেদনা, বৃদ্ধ নাৰীৰ মনোবেদনা, অতীতৰ জীৱনৰ ৰহস্য, অতীতৰ স্মৃতি ৰোমন্থন, আঁকোৰগোজ স্বভাৱ, ইতিহাস-চেতনা, আত্ম-অনুশোচনা, যৌন অক্ষমতাৰ বাবে অহা অৱসাদ, সন্তানৰ প্ৰতি স্নেহ, জীৱনৰ অভিজ্ঞতালব্ধ বাস্তৱ সত্য, জীৱনপ্ৰীতি, কৰ্মহীন জীৱনৰ অৱসাদ, পৰনিৰ্ভৰশীল হোৱাৰ আশংকা, শাৰীৰিক অসুস্থতা, বাৰ্ধক্যত পৰিতৃপ্ত জীৱন ইত্যাদিয়েই প্ৰধান। তুলনাৰ শেষত দেখা দিয়া বৈসাদৃশ্যকেইটা হ'ল— কালানুক্ৰমিক বয়সৰ সীমাবদ্ধতা, বৃদ্ধ পুৰুষ আৰু নাৰীৰ নিঃসংগতাৰ বেদনা, একক পৰিয়ালৰ প্ৰাধান্য, মানসিক সুখৰ প্ৰাধান্য, বিজ্ঞান-তথ্য-প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱ। গতিকে বিংশ শতিকাৰ নব্বৈৰ দশকৰ পৰৱৰ্তী আৰু পূৰ্ববৰ্তী অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত সাদৃশ্য আৰু বৈসাদৃশ্য পৰিলক্ষিত হৈছে।

দ্বিতীয় উপ-অধ্যায়ত 'অন্যান্য ভাষাৰ সাহিত্য আৰু অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ এক সংক্ষিপ্ত তুলনামূলক খতিয়ান' দাঙি ধৰা হৈছে। অন্যান্য ভাষাৰ সাহিত্যৰ অন্তৰ্গত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখন ক্ৰমে ইংৰাজী সাহিত্যৰ আৰ্নেষ্ট হেমিংৱেৰ *দ্য অ'ল্ড মেন এণ্ড দ্য ছী* (১৯৫২); বাংলা সাহিত্যৰ বলাইচন্দ মুখোপাধ্যায় (বনফুল)ৰ *অগ্নীশ্বৰ* (১৯৫৯), আশাপূৰ্ণা দেৱীৰ *প্ৰথম প্ৰতিশ্ৰুতি* (১৯৫২) আৰু অমৰেশ দত্তৰ *বানপ্ৰস্থ* (২০০৮); হিন্দী সাহিত্যৰ নিৰ্মল বৰ্মাৰ *অন্তিম অৰণ্য* (১৯৯০), মমতা কালিয়াৰ *দৌড়* (২০০০) আৰু কৃষ্ণা সৌবতীৰ *সময় সৰগম* (২০০০)। অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰ অন্তত দেখা দিয়া সাদৃশ্যকেইটা হ'ল— নিঃসংগতাৰ বেদনা, প্ৰজন্মৰ ব্যৱধান, আদৰ্শ আৰু মূল্যবোধৰ সংঘাত, ভৌগোলিক দূৰত্বই সৃষ্টি কৰা মানসিক ব্যৱধান, বাৰ্ধক্যৰ শাৰীৰিক-মানসিক ৰোগ আৰু ৰোগৰ উপসৰ্গ, বৃদ্ধ স্বামী-স্ত্ৰী এজনৰ অবিহনে আনজনৰ মানসিক নিঃসংগতা আদি। অন্যান্য ভাষাৰ সাহিত্যৰ বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাকেইখনত বৃদ্ধ লোকৰ মানসিক সবলতা, আত্মবিশ্বাসেৰে জীৱনক জয় কৰা, সময়ৰ লগত খোজ মিলাই স্বাভাৱিক হৈ আগুৱাই যোৱা আৰু সময় আৰু পৰিস্থিতিত নিজকে সলনি কৰাৰ মানসিকতা দেখা যায়। এইক্ষেত্ৰত অসমীয়া বৃদ্ধ-

মনস্তত্ত্বমূলক উপন্যাসকেইখনত মানসিক নিঃসংগতা, মনৰ আঁকোৰগোজ স্বভাৱ আৰু দুৰ্বল মানসিকতাৰ পৰিচয় পোৱা যায়। অৱশ্যে নিৰুপমা বৰগোহাঞিৰ *অভিযাত্ৰী,* অতুলানন্দ গোস্বামীৰ *নামঘৰীয়া,* ধ্ৰুৱজ্যোতি বৰাৰ *কাহিনী,* অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* উপন্যাসৰ বৃদ্ধ চৰিত্ৰৰ মানসিক সবলতা আৰু বাৰ্ধক্য-জীৱন উপভোগ কৰাৰ চিত্ৰ উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে। ইয়াৰ জৰিয়তে অসমীয়া সাহিত্যত সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ মূল্যায়ন কৰিব পৰাৰ অৱকাশ দেখা যায়।

তৃতীয় উপ-অধ্যায়ত ‘চৰকাৰী আৰু সামাজিক পৃষ্ঠপোষকতাত বৃদ্ধ লোকৰ নিৰাপত্তাৰ ব্যৱস্থা আৰু অসমীয়া উপন্যাস’ সম্পৰ্কে আলোচনা কৰা হৈছে। এই আলোচনাৰ শেষত দেখা গ’ল যে চৰকাৰী আৰু সামাজিক পৃষ্ঠপোষকতাত বৃদ্ধ লোকৰ নিৰাপত্তাৰ বিবিধ নীতি-নিৰ্দেশনা ধাৰ্য কৰা হৈছে যদিও সেই বিষয়ত চকুত পৰা তেনে সুফল বা সুব্যৱস্থা বৰ্তমানলৈকে হোৱা নাই।

চতুৰ্থ উপ-অধ্যায়ত ‘আলোচ্য কালৰ (১৯৬১-১৯৯০) উপন্যাসৰ প্ৰেৰণাত সৃষ্ট পাছৰ কালৰ উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব ঃ নতুন জটিলতাৰ প্ৰতিফলন’ৰ প্ৰসংগ বিচাৰ কৰা হৈছে। অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসকেইখনত বৃদ্ধ-মনস্তত্ত্বৰ জটিল মনস্তাত্ত্বিক দিশসমূহ হৃদয়স্পৰ্শীকৈ উপস্থাপন কৰা হৈছে। সেইবাবেই বৃদ্ধ-মনস্তত্ত্বৰ দৰে সংবেদনশীল, মননশীল আৰু জটিল বিষয়টোৰ সমস্যা অৱগত হ’ব পৰা যাব। মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ* (১৯৯০), মণিকুন্তলা ভট্টাচাৰ্যৰ *বন্ধ ঘৰৰ খিৰিকী* (২০১৩), অনুৰাধা শৰ্মা পূজাৰীৰ *জলছবি* (২০১৪), জিতুমণি বৰাৰ *শেষ পৃষ্ঠা* (২০১৫), অনুপমা বৰগোহাঁইৰ *শ্যামকানু দূৰৈ হৈ নাযাবা* (২০১৬) আৰু ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* (২০১৭) উপন্যাসকেইখনত সাম্প্ৰতিক সমাজৰ বাৰ্ধক্য-জীৱনৰ নতুন জটিলতাৰ প্ৰতিফলন সম্পৰ্কে চালিজাৰি চাবলৈ যত্ন কৰা হৈছে। অৱশ্যে মামণি ৰয়ছম গোস্বামীৰ *নীলকণ্ঠী ব্ৰজ,* ৰেখা বৰগোহাঁইৰ *আবেলি বেলিৰ বেদনা* আৰু অনুপমা বৰগোহাঁইৰ *শ্যামকানু দূৰৈ হৈ নাযাবা* উপন্যাস তিনিখন গৱেষণাৰ পৰিসীমাত সীমাৱদ্ধ কৰা হোৱা নাই। বিষয় প্ৰসংগত উপন্যাসকেইখনৰ আলোচনা অধ্যায়টোত অন্তৰ্ভুক্ত কৰা হৈছে। আলোচনাৰ অন্তত দেখা গ’ল যে বিধৱা আৰু দৰিদ্ৰ বৃদ্ধ নাৰীৰ আৰ্থিক সমস্যা, বৃদ্ধাশ্ৰমকেন্দ্ৰিক জীৱনৰ ইতিবাচক আৰু নেতিবাচক দিশ, শাৰীৰিক ৰোগে সৃষ্টি কৰা বাৰ্ধক্যৰ সমস্যা ইত্যাদি বৃদ্ধ-মনস্তত্ত্বৰ নতুন জটিলতাসমূহ উপন্যাসকেইখনত প্ৰত্যক্ষ কৰা হৈছে।

**অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** গৱেষণাৰ বিষয়টোৱে অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ কাৰকসমূহ স্পষ্ট কৰিছে। বাৰ্ধক্যৰ দৰে সংবেদনশীল, মননশীল আৰু জটিল গুৰুত্বপূৰ্ণ বিষয়টো সামগ্ৰিকভাৱে অসমীয়া উপন্যাসত যেনেদৰে প্ৰতিফলন হ'ব লাগিছিল তেনেদৰে হোৱা নাই। বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাসমূহ আন সমস্যাতকৈ কমকৈ প্ৰাধান্য পোৱাৰ বাবে ভালেসংখ্যক অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ জটিলতাৰ কাৰণসমূহ স্পষ্ট ৰূপত ফুটি উঠা নাই। তথাপি আলোচ্য উপন্যাসকেইখন এইক্ষেত্ৰত সফল হৈছে বুলি ক'ব পাৰি। উপন্যাসকেইখনত সাহিত্য-কলা আৰু মনস্তাত্ত্বিক বিশ্লেষণৰ সুসংমিশ্ৰণ ঘটিছে।

**গৱেষণাৰ সিদ্ধান্ত ঃ**

**অসমীয়া উপন্যাসত বৃদ্ধ-মনস্তত্ত্ব** আলোচ্য বিষয়টোৰ পৰা পোৱা গৱেষণাৰ সিদ্ধান্তসমূহ এনে ধৰণৰ—

- অসমীয়া উপন্যাস সাহিত্যত বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাস সংখ্যাত কম হ'লেও সাহিত্যিক মূল্যৰ ফালৰ পৰা উপন্যাসসমূহ গুৰুত্বপূৰ্ণ।

- বাৰ্ধক্য-জীৱনৰ কাহিনীসম্বলিত বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০)ৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত থকা বৃদ্ধ লোকৰ কালানুক্ৰমিক বয়সৰ ওপৰত গুৰুত্ব দিয়া অসমীয়া উপন্যাসত দেখা গৈছে।

- সাম্প্ৰতিক সমাজত মানৱীয় আৰু শৈক্ষিক মূল্যবোধৰ অভাৱ, আদৰ্শৰ সংঘাত, প্ৰজন্মৰ ব্যৱধান, কনিষ্ঠ প্ৰজন্মৰ আচাৰ-আচৰণ সংযত নোহোৱাৰ অভিযোগ সম্পূৰ্ণ সত্য বুলি ক'ব নোৱাৰি; কাৰণ উপন্যাসত এইবোৰৰ প্ৰতিফলন বিশেষ দেখা নগ'ল।

- অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ বৃদ্ধ লোকৰ শাৰীৰিক ৰোগ আৰু সুপ্ত মানসিক সমস্যাই শাৰীৰিক, মানসিক, সামাজিক, আৰ্থিক, সাংস্কৃতিক দিশত সৃষ্টি কৰা মানসিক যন্ত্ৰণাৰ ন ন ৰূপ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত প্ৰত্যক্ষ কৰা হৈছে।

■ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত বৃদ্ধ-মনস্তত্ত্বত জটিলতা সৃষ্টিৰ কাৰকসমূহ দেখা যায় যদিও সিমান স্পষ্টকৈ প্ৰতিফলন হোৱা নাই।

■ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসত পুৰুষ বৃদ্ধৰ নিঃসংগতাৰ চিত্ৰ বেছিকৈ দেখা পোৱা যায়। পুৰুষতান্ত্ৰিক সমাজত বৃদ্ধ পুৰুষৰ নিঃসংগতাৰ বেদনাৰ ক্ষেত্ৰত যেনেদৰে গুৰুত্ব দিয়া হৈছে, বৃদ্ধ মহিলাৰ ক্ষেত্ৰত তেনে গুৰুত্ব দিয়া নাই।

■ সময় আৰু পৰিৱেশে বৃদ্ধ লোকৰ জীৱনলৈ ন ন প্ৰত্যাহ্বান কঢ়িয়াই অনা বুলি দৃঢ়তাৰে ক'ব পাৰি।

■ বিংশ শতিকাৰ তিনি দশক (১৯৬১-১৯৯০) আৰু বিংশ শতিকাৰ শেষ আৰু একবিংশ শতিকাৰ অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাৰ ফলত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ ভাব আৰু লক্ষণৰ পৰিৱৰ্তন দৃষ্টিগোচৰ হৈছে।

■ অন্যান্য ভাষাৰ সাহিত্যৰ লগত অসমীয়া বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ তুলনাই সফল বৃদ্ধ-মনস্তত্ত্বমূলক উপন্যাসৰ প্ৰমাণ দিছে।

**ভৱিষ্যৎ গৱেষণাৰ সম্ভাব্য দিশ ঃ**

■ অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত সাধুকথা, প্ৰবাদ-প্ৰবচন, ফকৰা-যোজনা আৰু সাঁথৰত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰকাশ।

■ আধুনিক অসমীয়া কবিতাত বাৰ্ধক্য-জীৱনৰ প্ৰতিফলন।

■ সমাজ-বাস্তৱতা প্ৰকাশিত অসমীয়া নাটকত বাৰ্ধক্য-জীৱনৰ প্ৰকাশ।

■ অসমীয়া গল্পসাহিত্যত বৃদ্ধ-মনস্তত্ত্বৰ প্ৰতিফলন।

■ অসমীয়া প্ৰবন্ধ-সাহিত্যত বাৰ্ধক্য-তথ্যৰ প্ৰকাশ।

■ নিৰুপমা বৰগোহাঞিৰ নাৰী-মনস্তত্ত্বমূলক অসমীয়া উপন্যাসত বৃদ্ধ নাৰীৰ মনস্তত্ত্বৰ সমল প্ৰকাশ।

■ শীলভদ্ৰৰ গল্প আৰু উপন্যাসত বৃদ্ধ-মনস্তত্ত্বৰ সমল প্ৰকাশ।

■■■■